জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৮/২০২১**

# মৎস্যপালন আৰু সংহত কৃষি পদ্ধতিৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰা কলং-কপিলী বেচৰকাৰী সংস্থাৰ দ্বাৰা প্ৰতিষ্ঠা কৰা ইন্টিগ্ৰেটেড একুৱা কালচাৰ চেন্টাৰ ফৰ নৰ্থ ইষ্ট ৰিজনৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## সংস্থাটোৰ দ্বাৰা আয়োজিত মৎস্যপালকৰ সন্মিলনত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## কলং-কপিলীয়ে লাভ কৰা সফলতাৰ দ্বাৰা ৰাজ্যখনৰ হাজাৰ হাজাৰ যুৱক-যুৱতীয়ে মৎস্যপালন আৰু সংহত কৃষি পদ্ধতি অৱলম্বনৰ প্ৰতি আকৰ্ষিত হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৮ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কামৰূপ মহানগৰ জিলাৰ বগীবাৰীস্থিত কলং-কপিলী বেচৰকাৰী সংস্থাৰ দ্বাৰা প্ৰতিষ্ঠা কৰা ইন্টিগ্ৰেটেড একুৱা কালচাৰ চেন্টাৰ ফৰ নৰ্থ ইষ্ট ৰিজনৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰাৰ উপৰি ৰাজ্যখনৰ ৬ খন জিলাৰ পৰা অহা মৎস্যপালকৰ সন্মিলন, মত-বিনিময় আৰু মৎস্যপালনৰ প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি কলং-কপিলী বেচৰকাৰী সংস্থাই গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰাৰ দিশত লোৱা ভূমিকাৰ শলাগ লয়। আজিৰ এই অনুষ্ঠানৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে জলসম্পদ বিভাগে কলং-কপিলী বেচৰকাৰী সংস্থাৰ সহযোগত নিৰ্মাণ কৰা কলং-কপিলী পথৰো শুভ উদ্বোধন কৰে। উল্লেখ্য যে ২০০৭ চনত প্ৰতিষ্ঠা কৰা এই বেচৰকাৰী সংস্থাটোৱে ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আছে। সংস্থাটোৱে ইতিমধ্যে প্ৰায় ১ লাখ লোকক কৰ্ম সংস্থাপন প্ৰদান কৰিবলৈ সক্ষম হোৱাৰ উপৰি ২০ কোটি টকাৰ ঋণ বিভিন্ন উদ্যোগী যুৱক-যুৱতীলৈ বেংকৰ জৰিয়তে আগবঢ়াবলৈ সক্ষম হৈছে।

এই উপলক্ষে কলং-কপিলী বেচৰকাৰী সংস্থাটোৰ উদ্যোগত আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কলং-কপিলীৰ দৰে বেচৰকাৰী সংস্থা স্থাপনেৰে গ্ৰাম্য অৰ্থনীতি ৰূপান্তৰৰ বাবে লোৱা পদক্ষেপৰ বাবে সংস্থাটোৰ সঞ্চালক জ্যোতিষ তালুকদাৰকে ধৰি ইয়াৰ কৰ্মকৰ্তাসকলক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে কলং-কপিলীয়ে মীনপালন আৰু সংহত কৃষিৰ উৎকৰ্ষ সাধনৰ জৰিয়তে সমগ্ৰ ৰাজ্যখনৰ বাবে এক উদাহৰণ হিচাপে থিয় দিছে। কলং -কপিলীৰ এই সফলতাই ৰাজ্যখনৰ হাজাৰ হাজাৰ যুৱক-যুৱতীক মৎস্যপালন আৰু সংহত কৃষি পদ্ধতি অৱলম্বন কৰাৰ দিশত অনুপ্ৰাণিত কৰিব বুলি তেওঁ কয়। ইমান দিনে অসমে মাছ, গাখীৰ ইত্যাদিকে ধৰি প্ৰয়োজনীয় খাদ্য সামগ্ৰী বাহিৰৰ পৰা আমদানি কৰিবলগীয়া হৈছিল যদিও অসমৰ উঠি অহা প্ৰজন্মই কলং-কপিলীৰ দৰে উদ্যোগ লৈ যেনেদৰে কৰ্মপথাৰত নামি পৰিছে ই নিশ্চিতভাৱে ৰাজ্যখনক স্বাৱলম্বী হোৱাৰ দিশত বিশেষ

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

গতি প্ৰদান কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ বাবে জনোৱা আহ্বানৰ প্ৰতি উপযুক্ত সঁহাৰি জনাই অসমেও সকলো ক্ষেত্ৰতে আত্মনিৰ্ভৰ হোৱাৰ প্ৰচেষ্টাত ব্ৰতী হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই ক্ষেত্ৰত কলং-কপিলীৰ দৰে বেচৰকাৰী সংস্থাসমূহে পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

কৰ্মই সাধনা আৰু কৰ্তব্যই ভগৱান বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কলং-কপিলীৰ এই সফলতা একে দিনাই অহা নাই। বহুতো ঘাট প্ৰতিঘাট তথা প্ৰত্যাহ্বান নেওচি আজি কলং-কপিলীয়ে সফলতা লাভ কৰিছে। এই উদাহৰণৰ পৰা নৱ প্ৰজন্মই অনুপ্ৰাণিত হৈ কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডত নামি পৰিলে আমাৰ ৰাজ্যখনে ভাৰতৰ ভিতৰত অচিৰেই এখন অগ্ৰণী ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে কৃষক তথা কৃষিৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও উল্লেখ কৰে।

অনুষ্ঠানত কলং-কপিলীৰ বেচৰকাৰী সংস্থাটোৰ সঞ্চালক জ্যোতিষ তালুকদাৰে আদৰণী ভাষণ প্ৰদান কৰি বেচৰকাৰী সংস্থাটোৱে ২০০৭ চনৰ পৰা বৰ্তমানলৈ লাভ কৰা বিভিন্ন সফলতাৰ আলোকপাত কৰি বক্তব্য আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰাৰ বাবে যি উদ্যোগ লৈছে সেই উদ্যোগক বাস্তৱায়িত কৰাৰ বাবে তেওঁলোকে নিষ্ঠাসহকাৰে কৰ্মত ব্ৰতী হৈছে। বগীবাৰী অঞ্চলত মহেন্দ্ৰ মোহন চৌধুৰীৰ পিছত দ্বিতীয়গৰাকী মুখ্যমন্ত্ৰী হিচাপে সৰ্বানন্দ সোণোৱালে উপস্থিত হৈ এই অঞ্চলটোৰ লগতে মীনপালনৰ লগত জড়িত থকা সংস্থাটোক যি উৎসাহ প্ৰদান কৰিলে তাৰ বাবে তেওঁ মুখ্যমন্ত্ৰীক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে।

আজিৰ এই অনুষ্ঠানত জলসম্পদ, বিজ্ঞান আৰু প্ৰযুক্তি ইত্যাদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, দিছপুৰ বিধানসভা সমষ্টিৰ বিধায়ক অতুল বৰা, মৰিগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, পাঞ্জাৱ নেশ্যনেল বেংকৰ আঞ্চলিক মহা প্ৰৱন্ধক এছ এছ সিং প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকলৰ উপৰি মীন পালনৰ লগত জড়িত থকা বহুসংখ্যক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে।

**বঃভাঃ**
**১৮/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in